# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-10-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

০০০০০

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে আজি পাঁচজন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ৩১ নম্বৰ ছিদলী বিধানসভা সমষ্টিত আজি এন ডি এ সমৰ্থিত ইউ পি পি এল দলৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মাই মিত্ৰজোঁটৰ কেইবাজনো নেতাৰ উপস্থিতিত কাজলগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়নপত্ৰ দাখিল কৰে। সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী সঞ্জীৱ ওৱাৰীয়ে কালি মনোনয়ন পত্ৰ দাখিল কৰিছিল।

ধলাই সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী নিহাৰৰঞ্জন দাস আৰু চামগুৰি সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী টানজিল হুছেইনে আজি মনোননয় পত্ৰ দাখিল কৰে। চামগুৰি সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই কাইলৈ মনোনয়ন পত্ৰ দাখিল কৰিব।

উল্লেখযোগ্য যে কংগ্ৰেছ দলে বিহালী সমষ্টিৰ বাবে জয়ন্ত বৰাক কালি প্ৰাৰ্থিত্ব প্ৰদান কৰে। নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কালি চাৰিগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

০০০০০

কেন্দ্ৰীয় বস্ত্ৰ শিল্প আৰু বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি যোৰহাটৰ লাহদৈগড়ত কেন্দ্ৰীয় মূগা, এড়ী, গৱেষণা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ ৰূপালী জয়ন্তী উদযাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই প্ৰতিষ্ঠানটোৱে ৰেচম উদ্যোগ বিশেষকৈ মূগা আৰু এড়ী, ৰেচম সূতা উৎপাদনৰ ক্ষেত্ৰত বিগত ২৫ বছৰে গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়াই আহিছে। আজি উদ্বোধনী অধিবেশনৰ পাছতেই প্ৰদৰ্শনী মুকলি, কেন্দ্ৰীয় ৰেচম বোৰ্ডৰ ইতিহাস দেৱাল আদি উন্মোচন, তথ্যচিত্ৰ আৰু স্মাৰক উন্মোচন, গ্ৰন্থ উন্মোচন কাৰ্যসূচী আদি লোৱা হয়। মন্ত্ৰীগৰাকীয়ে আজি কঁহৰাত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পত সমৰ্থ শীৰ্ষক আঁচনি উদ্বোধনী অনুষ্ঠানত অংশ লোৱাৰ কথা। উল্লেখযোগ্য যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পৰ সহযোগত কেন্দ্ৰীয় ৰেচম বোৰ্ডে কাজিৰঙা প্ৰান্তীয় সম্প্ৰদায়ৰ শিপিনীসকলৰ বাবে সমৰ্থ আঁচনিৰ অধীনত দক্ষতা বিকাশ কাৰ্যসূচী আৰম্ভ কৰিব। এই কাৰ্যসূচীৰ জৰিয়তে এশগৰাকী শিপিনীক সামৰি ল'ব। আজিৰ পৰা ৩ ডিচেম্বৰলৈ চলিবলগীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীয়ে শিপিনীসকলক জীৱিকাৰ বিকল্প সুযোগ দিব বুলি আশা কৰা হৈছে।

০০০০০

অসম চৰকাৰে অসমীয়া ভাষাই ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰাৰ আনন্দ উদযাপনৰ বাবে অহা ৩ৰ পৰা ৯ নৱেম্বৰলৈ **ভাষা গৌৰৱ সপ্তাহ** পালনৰ প্ৰস্তুতি অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰীৰ পৰামৰ্শমৰ্মে প্ৰতিখন জিলাতে এই সপ্তাহৰ কাৰ্যসূচীৰ অংশ হিচাপে অসমৰ বৰেণ্য সাহিত্যিকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উপৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। তামুলপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি এই উপলক্ষে এখন সভা অনুষ্ঠিত হয়। এই সভাত জিলাখনৰ আয়ুক্তই ভাষা গৌৰৱ সপ্তাহ নিয়াৰিকৈ পালন কৰাৰ বাবে আহ্বান জনায়। জিলা প্ৰশাসনৰ উদ্যোগত ৩ নৱেম্বৰত এই সপ্তাহ উদযাপনৰ বিপৰীতে সপ্তাহটোৰ অন্য দিনকেইটাত বিদ্যালয়, মহাবিদ্যালয়, সাহিত্যানুষ্ঠান, ক্ৰীড়া তথা যুৱ সংঘ, আত্মসহায়ক গোট আদিক নিজৰ সুবিধা অনুযায়ী ভাষা গৌৰৱ সপ্তাহ পালন কৰিবলৈ কোৱা হৈছে। অনুষ্ঠানসমূহৰ ৰাজ্য চৰকাৰৰ জৰিয়তে দেশৰ প্ৰধানমন্ত্ৰীলৈ ধন্যবাদসূচক পত্ৰ প্ৰেৰণৰ বাবেও আহ্বান জনোৱা হৈছে।

গোলাঘাট জিলাৰ দক্ষিণ খণ্ড উন্নয়নৰ বিষয়াৰ প্ৰেক্ষাগৃহত আজি ভাষা গৌৰৱ সপ্তাহ উদযাপন সন্দৰ্ভত আলোচনা কৰা হয়। অনুষ্ঠানত জিলা প্ৰশাসনৰ বিষয়ববীয়াৰ লগতে খণ্ড উন্নয়ন বিষয়া তথা অন্যান্য চৰকাৰী বিষয়া উপস্থিত থাকে।

০০০০০

পূব মধ্য বংগোপসাগৰত সৃষ্টি হোৱা ঘূৰ্ণীবতাহ ডানাৰ প্ৰভাৱত অসমত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে কোনো কোনো ঠাইত পাতলীয়া বৰষুণ হৈ আছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে জনোৱা মতে আজি নিশা বা কাইলৈ নিচেই পুৱা এই বতাহজাকে ওড়িশাৰ উপকূলত খুন্দা মৰাৰ সম্ভাৱনা আছে। বিভাগে বতাহজাক প্ৰতি ঘণ্টাত ১০০ৰ পৰা ১২০ কিলোমিটাৰ বেগেৰে বলিব পাৰে বুলি সতৰ্কতা জাৰি কৰিছে। বতাহজাকৰ ফলত ওড়িশাৰ কেন্দ্ৰপাৰা, বালেশ্বৰ আৰু ভদ্ৰক জিলাৰ সৰ্বাধিক ক্ষতি হ'ব পাৰে বুলি আশংকা কৰা হৈছে। ৰাজ্যখনৰ অন্য ১১খন জিলাতো ধাৰাসাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ধুমুহা জাকৰ সম্ভাৱনালৈ চাই ভূৱনেশ্বৰত বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ সেৱা আজি বিয়লি ৫ বজাৰ পৰা কাইলৈ পুৱা ৯ বজালৈ বাতিল কৰা হৈছে।

ঘূৰ্ণীবতাহৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় নৌসেনা বাহিনীয়ে ওড়িশা আৰু পশ্চিমবংগৰ উপকূলত প্ৰয়োজনীয় সাহায্য প্ৰদানৰ বাবে প্ৰস্তুতি অব্যাহত ৰাখিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিজ্ঞপ্তিত জানিবলৈ দিয়া অনুসৰি প্ৰস্তুতিৰ অংশ হিচাপে ঘূৰ্ণী বতাহ প্ৰভাৱিত অঞ্চলসমূহত প্ৰয়োজনীয় বস্ত্ৰ, খোৱাপানী, খাদ্য সামগ্ৰী, ঔষধ আৰু জৰুৰীকালীন সাহায্য সামগ্ৰী প্ৰদানৰ বাবে বিশেষ গোটক সাজু কৰি ৰখা হৈছে। তদুপৰি প্ৰয়োজন অনুসৰি উদ্ধাৰ আৰু সাহায্য অভিযান চলোৱাৰ বাবে ডুবাৰু দল আৰু দুয়োখন ৰাজ্যৰ উপকূলত দুখন জাহাজ সাজু কৰি ৰখা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৭ অক্টোবৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৫ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই খণ্ডটিৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব।

০০০০০

সমাপ্ত